যায়। যেনে,

বৰষুণ **নেৰিলে** ঘৰৰপৰা নোলাবা।

ৰাম **নৌ ওপজোঁতেই** ৰামায়ণ ৰচনা কৰা হৈছিল।

এই বাক্য দুটাৰ পৰা দেখা যায় যে নঞৰ্থক অসমাপিকা ক্ৰিয়া থকা বাক্যৰ সমাপিকা ক্ৰিয়াটো নঞৰ্থকো হ'ব পাৰে নতুবা অস্ত্যৰ্থকো হ'ব পাৰে। প্ৰথম বাক্যৰ অসমাপিকা আৰু সমাপিকা ক্ৰিয়া, দুয়োটাই নঞৰ্থক। আনহাতে দ্বিতীয় বাক্যত অসমাপিকা ক্ৰিয়াটো নঞৰ্থক আৰু সমাপিকা ক্ৰিয়াটো অস্ত্যৰ্থক।

**১২.০৭ ক্ৰিয়াপদৰ পুৰুষ ঃ** কৰ্তা অনুসাৰে ক্ৰিয়াপদৰ পুৰুষ তিনিটা ঃ

প্ৰথম পুৰুষ (First person)

দ্বিতীয় পুৰুষ (Second person)

তৃতীয় পুৰুষ (Third person)*

এই তিনিওটা পুৰুষত ক্ৰিয়াৰ ৰূপ বেলেগ বেলেগ হয়। ক্ৰিয়াৰ যি বক্তা অৰ্থাৎ যি নিজৰ বিষয়ে কয়, সি প্ৰথম পুৰুষ। **মই, আমি** প্ৰথম পুৰুষৰ ক্ৰিয়াৰ কৰ্তা। যাৰ প্ৰতি বা ওচৰত উপস্থিত যাক লক্ষ্য কৰি কিবা কোৱা হয়, সি দ্বিতীয় পুৰুষ। **তই, তুমি, আপুনি, তহঁত, তোমালোক, আপোনালোক** দ্বিতীয় পুৰুষৰ ক্ৰিয়াৰ কৰ্তা। অনুপস্থিত বা আঁতৰত থকা যাক লক্ষ্য কৰি বা যাৰ সম্বন্ধে কিবা কোৱা হয়, সি তৃতীয় পুৰুষ। **সি, তাই, তেওঁ, তেখেত, সিহঁত** আৰু **তেওঁলোক** তৃতীয় পুৰুষ। অসমীয়া ভাষাত থকা অধিক মান্যাৰ্থৰ সৰ্বনাম **আপুনি, আপোনালোক** অৰ্থৰ পিনৰ পৰা দ্বিতীয় পুৰুষ (you, thou) ; কিন্তু প্ৰায়োগিক দিশৰপৰা চালে ই তৃতীয় পুৰুষৰ সৰ্বনাম। কিয়নো **আপুনি** বা **আপোনালোক** সৰ্বনামৰ ক্ৰিয়াপদ সদায় তৃতীয় পুৰুষৰ হয়। যেনে,

আপুনি **পঢ়ে**। আপোনালোকে **পঢ়ে**।

সি **পঢ়ে**। সিহঁতে **পঢ়ে**।

আপুনি **যায়**। আপোনালোক **যায়**।

সি **যায়**। সিহঁত **যায়**।

উল্লিখিত **পঢ়ে** আৰু **যায়** ক্ৰিয়াপদ তৃতীয় পুৰুষৰ। কাৰণ **পঢ়্** আৰু **যা** ধাতুত তৃতীয় পুৰুষৰ ক্ৰিয়া বিভক্তি **-এ, -য়** (আ- কাৰান্ত ধাতুত) যোগ হৈছে। **পঢ়্** আৰু **যা** ধাতুত দ্বিতীয় পুৰুষৰ ক্ৰিয়া বিভক্তি মান্যাৰ্থক **-আ** যোগ কৰি **আপুনি** সৰ্বনামৰ লগত ব্যৱহাৰ কৰিলে অৰ্থাৎ 'আপুনি পঢ়া/যোৱা' কৰিলে বাক্য বিন্যাসগত ভাবে ভুল হ'ব।

ক্ৰিয়াপদৰ এই প্ৰতিটো পুৰুষ নিৰ্দিষ্টকৈ বুজাবলৈ কিছুমান সৰ্গ (affix) আছে। এই

---

* সংস্কৃতত এই পুৰুষ তিনিটাক ক্ৰমে উত্তম পুৰুষ, মধ্যমপুৰুষ আৰু প্ৰথম পুৰুষ বোলা হয়। কিছুমান অসমীয়া ব্যাকৰণত পুৰুষ বুজাবলৈ এই তিনিটা নাম ব্যৱহাৰ কৰা হৈছে। যিহেতু স্কুলীয়া সকলো ব্যাকৰণতে ইংৰাজী person-অৰ আৰ্হিত ১ম, ২য় আৰু ৩য় পুৰুষ কৰা হৈছে, গতিকে বেছি পৰিচিত এইকেইটা নামহে ৰখা উচিত।

পুৰুষবাচক সৰ্গবোৰকে পুৰুষ বিভক্তি বা ক্ৰিয়া বিভক্তি বোলা হয়। পুৰুষ অনুযায়ী এই বিভক্তিবোৰ এনে ধৰণৰ ঃ

| | |
|---|---|
| প্ৰথম পুৰুষ ঃ | -ওঁ |
| দ্বিতীয় পুৰুষ ঃ | |
| তুচ্ছাৰ্থক | -অ |
| মান্যাৰ্থক | -আ |
| তৃতীয় পুৰুষ ঃ | -এ, -য় (আ-কাৰান্ত ধাতুত) |

অসমীয়াত ক্ৰিয়াপদৰ পুৰুষবাচক বিভক্তিবোৰ বচন নিৰপেক্ষ অৰ্থাৎ একবচন আৰু বহুবচনৰ বিভক্তিৰ মাজত কোনো পাৰ্থক্য নাই। একেটা পুৰুষবাচক বিভক্তিয়েই অসমীয়াত একবচন আৰু বহুবচনৰ পুৰুষ বুজায়। যেনে,

| একবচন | বহুবচন |
|---|---|
| মই পঢ়ো | আমি পঢ়ো। |
| তই পঢ় | তহঁতে পঢ়। |
| তুমি পঢ়া | তোমালোকে পঢ়া। |
| সি পঢ়ে | সিহঁতে পঢ়ে। |

ইয়াৰপৰা দেখা যায় যে অসমীয়াত বচন অনুযায়ী ক্ৰিয়া বিভক্তিৰ ৰূপৰ কোনো পৰিবৰ্তন নহয়। একবচনত যি ৰূপ, বহুবচনতো সেই একে ৰূপেই হয়। কিন্তু কেতিয়াবা কেতিয়াবা প্ৰথম আৰু দ্বিতীয় পুৰুষৰ ক্ৰিয়াপদৰ পাছত বহুবচন বুজাবলৈ **হঁক** বা **হঁত** ব্যৱহাৰ কৰা হয়। যেনে,

ব'ল, আমি **কৰোঁহঁক**। তোমালোকে **কৰাহঁক**।

ঐ, তহঁতে **পঢ়হঁত**। তোমালোকে **পঢ়াহঁত**।

অৱশ্যে এনে প্ৰয়োগ বক্তাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল।

**১২.০৮ ক্ৰিয়াপদৰ ভাৱ (mood) ঃ** যি উপায়ে বা প্ৰক্ৰিয়াৰে ক্ৰিয়াপদৰদ্বাৰা বৰ্ণিত কাৰ্য সংঘটিত হোৱাৰ ভাব বা ৰীতি বোধ হয়, তাকেই ক্ৰিয়াপদৰ ভাৱ (mood) বোলা হয়। অসমীয়াত ক্ৰিয়াৰ ভাৱ দুটা ঃ

(ক) নিৰ্দেশক ভাৱ (Indicative mood)

(খ) অনুজ্ঞা ভাৱ (Imperative mood)

নিৰ্দেশক ভাৱে কোনো এক সময়ৰ কোনো এটা কাৰ্য মাত্ৰ প্ৰকাশ কৰে। আন কথাত ক্ৰিয়াৰ সাধাৰণ ভাৱ প্ৰকাশৰ উপায়েই হৈছে নিৰ্দেশক ভাৱ। বৰ্তমান, অতীত আৰু ভৱিষ্যত কেউটাকালৰ ক্ৰিয়াপদ নিৰ্দেশক ভাৱৰ হ'ব পাৰে। যেনে,

মই পঢ়োঁ।

তুমি পঢ়িলা।